
পাঠ ১০

# তিনিটা মাছৰ কাহিনী

এখন বিলত ভালেমান মাছ আছিল। সেই বিলতে অনাগতবিধাতা, প্রত্যুৎপন্নমতি আৰু যদ্‌ভৱিষ্য নামৰ তিনিটা ডাঙৰ মাছে বহুদিন ধৰি একেলগে বাস কৰি আছিল। এদিন অনাগতবিধাতাই বিলত সাঁতুৰি-নাদুৰি থাকোঁতে সেই ফালেৰে গৈ থকা মাছমৰীয়া কেইজনমানে কথা পতা শুনিলে— 'এই বিলখনত বহুদিন কোনেও মাছ মৰা নাই, ইয়াত নিশ্চয় বহুতো ডাঙৰ ডাঙৰ মাছ আছে। গতিকে কাইলৈ পুৱা আহি এই বিলত মাছ মাৰিব



লাগিব।' এইবুলি কৈ মাছমৰীয়াসকল ঘৰাঘৰি গুচি গ'ল। মাছমৰীয়াসকলৰ বজ্রসদৃশ কথাবোৰ অনাগতবিধাতাই ভালদৰে শুনি আছিল। তেওঁ সকলো মাছক লগে লগে মাতি আনি মাছমৰীয়াসকলে কৈ যোৱা কথাবোৰ বৰ্ণনা কৰি ক'লে — 'কাইলৈ পুৱা মাছমৰীয়াসকল আহি এই বিলৰ মাছবোৰ মাৰি নিঃশেষ কৰিব বুলি কোৱা সকলোৱে নিশ্চয় শুনিছে। আমাক বিপদে হাত-বাউল দি মাতিছে। গতিকে আমি ইয়াত এখন্তেকো থকা উচিত নহয়। ৰাতিয়েই আন ঠাইলৈ গুচি যাব লাগিব। কিয়নো দুৰ্বলীলোক সদায় বলীৰ পৰা আঁতৰত থাকে, অথবা আন সুৰক্ষিত স্থানত আশ্ৰয় লয়।'

অনাগতবিধাতাৰ কথা শুনি প্ৰত্যুৎপন্নমতিয়ে ক'লে — 'আপুনি সঁচা কথাকেই কৈছে। ময়ো এই বিল এৰি অতি শীঘ্ৰে ওচৰত থকা আন খাল-বিললৈ যোৱাটোকেই উচিত হ'ব বুলি ভাবোঁ। কিয়নো, যাৰ জীয়াই থকাৰ উপায় থাকে, তেওঁ কিহৰ মোহত বিনাশ হ'ব? 'পিতৃ-পিতামহৰ কুঁৱা' বুলি ভবা কাপুৰুষসকলেহে খাৰুৱা পানীকে খাই জীয়াই থাকে।'



অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতিৰ কথা শুনি উচ্চস্বৰে হাঁহি যদ্‌ভৱিষ্যই ক'লে— 'তোমালোকে আলোচনা কৰা কথাবোৰ বৰ ভাল লগা নাই। যদি আয়ুস শেষ হয় তেনেহ'লে অন্য ঠাইলৈ গ'লেও মৃত্যু হ'বই। বনত বিসৰ্জন দি অহাজনো জীয়াই থাকে আৰু ঘৰত সুৰক্ষিতভাৱে থকাজনৰো বিনাশ হয়। আমাৰ সমাজত সাধাৰণতে কোৱা হয় — অসুৰক্ষিতজনকো দৈৱই ৰক্ষা কৰে আৰু সুৰক্ষিত হৈ থকাজনকো দৈৱই বিনাশ কৰে; মই মুখৰ কথাতেই পিতৃ-পিতামহৰ এই বিলখন এৰি যোৱাটো যুক্তিযুক্ত বুলি নাভাবোঁ। গতিকে মই ক'লৈকো নাযাওঁ। তোমালোকে যি ভাল বুলি ভাবা তাকেই কৰা।'

যদ্‌ভৱিষ্যৰ এনেকুৱা আঁকোৰ-গোঁজ মনোভাব দেখি তেওঁক এৰি অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতি নিজৰ নিজৰ পৰিয়ালবৰ্গৰে সৈতে আন বিললৈ গুচি গ'ল। পাছদিনাখন পুৱা মাছমৰীয়াসকলে আহি বিলত জাল পেলালে। তেওঁলোকে জালেৰে মাছ মাৰি গোটেই বিলখন ঘোদালি পেলালে আৰু যদ্‌ভৱিষ্যৰ লগতে থকা অন্যান্য মাছবোৰকো জালেৰে ধৰি ঘৰলৈ লৈ গ'ল।

'সাৱধানৰ মৰণ নাই।' বিপদ অহাৰ আগতেই সাৱধান হোৱা অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতি সুখেৰে জীয়াই থাকিল, কিন্তু বিপদৰ কথা নাভাবি হাত সাৱটি থকা যদ্‌ভৱিষ্যৰ বিনাশ হ'ল।

*(এই সাধুটো পঞ্চতন্ত্ৰৰ পৰা লোৱা হৈছে)*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক



**পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

(ক) ‘তিনিটা মাছৰ কাহিনী’ত থকা মাছকেইটাৰ নাম কি কি?

(খ) অনাগতবিধাতা কিয় শংকিত হৈছিল?

(গ) অনাগতবিধাতাৰ কথা কোনে সমৰ্থন কৰিছিল?

(ঘ) কোনে বিপদৰ কথা নাভাবি আকোঁৰ-গোঁজ হৈ থাকি মৃত্যুক সাৰটি ল’লে?

(ঙ) মাছমৰীয়াকেইজনে কিহেৰে পুখুৰীত মাছ মাৰিলে?



**কোৱা আৰু লিখা।**

**তলৰ কথাকেইষাৰ কোনে, কি উদ্দেশ্যেৰে কাক কৈছিল?**

(ক) ‘আপুনি সঁচা কথাকেই কৈছে। ময়ো এই বিল এৰি ওচৰত থকা আন খাল-বিললৈ যোৱাটো উচিত বুলি ভাবোঁ।’

(খ) ‘মই মুখৰ কথাতেই পিতৃ-পিতামহৰ এই বিলখন এৰি যোৱাটো যুক্তিযুক্ত বুলি নাভাবোঁ।’

(গ) ‘কাইলৈ পুৱা মাছমৰীয়াসকল আহি এই বিলৰ মাছ মাৰি নিঃশেষ কৰিব।’



**সাধুটো নিজৰ কথাৰে কোৱা আৰু লিখা।**



**সাধুটোত মাছ তিনিটাই কোৱা কথাখিনি সহজ কথাৰে লিখা।**



**তলৰ শব্দবোৰৰ অৰ্থ শব্দ-সম্ভাৰ বা অভিধানৰ পৰা চাই লিখা।**

| | | |
|---|---|---|
| অনাগতবিধাতা | প্ৰত্যুৎপন্নমতি | যদ্‌ভৱিষ্য |
| এখন্তেক | ঘোদালি | নিঃশেষ |
| বিনাশ | সুৰক্ষিত | বজ্ৰসদৃশ |
| আঁকোৰ-গোঁজ | উচ্চস্বৰে | হাত-সাৰটি |



**তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা।**

(ক) মাছমৰীয়াহঁতৰ কথা শুনি অনাগতবিধাতাই লগৰীয়া মাছবোৰক কি ক'লে?

(খ) অনাগতবিধাতাই কোৱা কথাটো প্ৰত্যুৎপন্নমতিয়ে কিয় সমৰ্থন কৰিলে?

(গ) যদ্‌ভৱিষ্যই কিয় মৃত্যুক সাৱটি ল'ব লগা হ'ল?

(ঘ) আঁকোৰগোঁজ মনোভাৱে মানুহক কেনেদৰে বিপদত পেলায়?



**তলৰ আধৰুৱা বাক্যবোৰ সম্পূৰ্ণ কৰিবলৈ পাঠটো পঢ়া আৰু খালী অংশটো পূৰ কৰি লিখা।**

(ক) এখন বিলত ভালেমান ........................................। সেই বিলতে ....................... একেলগে বাস কৰি আছিল। এদিন অনাগতবিধাতাই পুখুৰীত সাঁতুৰি-নাদুৰি ............................................................ মাছমৰীয়া কেইজনমানে কথা পতা শুনিলে,— '.......................................................................... মৰা নাই, ইয়াত নিশ্চয় বহুতো ডাঙৰ ডাঙৰ মাছ আছে। গতিকে কাইলৈ ..............................' এইবুলি কৈ মাছমৰীয়াসকল ঘৰা-ঘৰি গুচি গ'ল।

(খ) যদ্‌ভৱিষ্যৰ এনেকুৱা .........................................................। পাছদিনাখন পুৱা..........................................................পেলালে। তেওঁলোকে জালেৰে যদ্‌ভৱিষ্যৰ ........................................................ ঘৰলৈ লৈ গ'ল।

☞ *ছাত্ৰ-ছাত্ৰীক সুবিধা অনুসৰি কাৰ্যটো বহী বা শ্লেটত কৰাব।*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

ন্ন, ক্ক, শ্চ, ঘ্ৰ, ন্ধ, ন্দ, ন্ম, স্থ

| | | | | | | |
|---|---|---|---|---|---|---|
| অন্ন | ন্ন | ন + ন | নই | নই | ন্ন | প্ৰসন্ন, প্ৰত্যুৎপন্নমতি |
| মক্কা | ক্ক | ক + ক | কই | কই | ক্ক | মক্কা, বৃক্ক |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| নিশ্চয় | শ্চ | শ + চ | শই | চই | শ্চ | নিশ্চিত, | পশ্চিম |
| ব্যাঘ্ৰ | ঘ্ৰ | ঘ + ৰ | ঘই | ৰই | ঘ্ৰ | ঘ্ৰাণ, | শীঘ্ৰে |
| সন্ধান | ন্ধ | ন + ধ | নই | ধই | ন্ধ | ৰন্ধন, | ৰান্ধনী |
| সুন্দৰ | ন্দ | ন + দ | নই | দই | ন্দ | বান্দৰ, | মন্দিৰ |
| জন্ম | ন্ম | ন + ম | নই | মই | ন্ম | সন্মান, | উন্মনা |
| সুস্থ | স্থ | স + থ | সই | থই | স্থ | স্থল, | স্থিৰ |

☞ *ক, খ, ত, থ, প, ফ আৰু ম এই আখৰকেইটাৰ লগতহে 'স' যোগ হয়। যেনে— বয়স্ক, স্খলন, অস্ত, স্থান, স্পন্দন, স্ফটিক, ভস্ম ইত্যাদি ছাত্ৰ-ছাত্ৰী সকলক শিকাব।*



## যুক্তাক্ষৰ গঠন কৰি পঢ়োঁ আহা।

| | | | | |
|---|---|---|---|---|
| ক্ক | ক + ক | কই | কই | ক্ক |
| ন্ন | ন + ন | নই | নই | ন্ন |
| শ্চ | শ + চ | শই | চই | শ্চ |
| ঘ্ৰ | ঘ + ৰ | ঘই | ৰই | ঘ্ৰ |
| ন্ধ | ন + ধ | নই | ধই | ন্ধ |
| ন্দ | ন + দ | নই | দই | ন্দ |
| ন্ম | ন + ম | নই | মই | ন্ম |
| স্থ | স + থ | সই | থই | স্থ |



## তলৰ বাক্যবোৰ পঢ়া।

(ক) বানপানীয়ে মানুহৰ জীৱন বিপন্ন (বিপদগ্ৰস্ত) কৰে।

(খ) ড° ভূপেন হাজৰিকা এজন বিশ্ববিশ্ৰুত (পৃথিৱীৰ সকলোৱে জনা) লোক আছিল।

(গ) চন্দন (এবিধ গছ) এবিধ মূল্যৱান গছ।

(ঘ) প্ৰবন্ধ (ৰচনা) লিখা ব্যক্তিক প্ৰবন্ধকাৰ বুলি কোৱা হয়।

(ঙ) ভক্ত প্ৰহ্লাদৰ ভগৱানৰ প্ৰতি গভীৰ বিশ্বাস (পতিয়ন) আছিল।

(চ) জ্ঞানীয়ে জগতৰ অজ্ঞান আন্ধাৰ (পোহৰ নথকা) দূৰ কৰে।

(ছ) দেশমাতৃৰ প্ৰতি সন্মান (মান, আদৰ) জনোৱা উচিত।

☞ *বন্ধনীৰ ভিতৰত থকা অৰ্থবোৰৰ লগত আঁচটনা শব্দবোৰ মিলাই বুজাব আৰু তেনেধৰণৰ বাক্য পঢ়াৰ অনুশীলন কৰাব।*

**উদাহৰণত দেখুওৱাৰ দৰে 'অ' লগাই বিপৰীত অৰ্থ বুজোৱা শব্দ সাজা।**

**উদাহৰণ —** **সুৰক্ষিত** — অসুৰক্ষিত

বাট —

সংলগ্ন —

চেতন —

ঘটন —

সময় —

বুজন —

কৃত্ৰিম —

**বাক্য ৰচনা কৰা।**

হাত-বাউল দি ..........................................................................

সাঁতুৰি-নাদুৰি ..........................................................................

আঁকোৰ-গোঁজ ..........................................................................

ঘোদালি ..........................................................................

ঘৰা-ঘৰি ..........................................................................

অতি শীঘ্ৰে ..........................................................................

এখন্তেক ..........................................................................

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ


**দলত আলোচনা কৰি কি হ'ব কোৱা আৰু লিখা।**

(ক)
- মাছবোৰ যদি নোহোৱা হৈ যায়?
- বিলৰ পানী যদি শুকাই যায়?
- মাছ যদি উৰ্ভৈনদী হয়?

(খ) তলৰ সমস্যাবোৰ তুমি কেনেকৈ সমাধান কৰিবা?

- বিদ্যালয়লৈ গৈ থাকোঁতে উজুটি খাই পৰি তেজ ওলালে
- সন্মুখত সাপ বা কুকুৰ দেখা পালে
- শ্ৰেণীকোঠাত দুজন ল'ৰাৰ মাজত কাজিয়া লাগিলে

**'মাছ' শব্দত থকা আখৰ দুটাৰে আৰু কিমান নতুন শব্দ গঠন কৰিব পাৰা, দলত আলোচনা কৰা আৰু তলৰ তালিকাত লিখা।**




**তোমালোকে পাঠটোত পোৱা 'তৎক্ষণাত', 'প্ৰত্যুৎপন্নমতি' শব্দ দুটাত ব্যৱহাৰ হোৱা 'ৎ' টো দেখিছা। 'ৎ' থকা বিভিন্ন শব্দ লিখা।**

**মাছৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।**

☞ এই শব্দবোৰত পোৱা 'ৎ'-ক ব্যঞ্জনান্ত/হসন্ত/হলন্ত বোলে। ছাত্ৰ-ছাত্ৰীক বুজাই দিব।

*☞নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন চাই কোনে কি কৰিছে কোৱা।



তলৰ বাক্যবোৰৰ ভাব বুজাই লিখা।

(ক) সাৱধানৰ মৰণ নাই।

(খ) বাছি খাবা, জাগি শুবা।

## ঘ — প্ৰকল্প

- অসমত মাছৰ নামেৰে বহুতো ঠাইৰ নাম আছে। প্ৰতিটো দলে নিজাববীয়াকৈ মাছৰ নামেৰে থকা ঠাইৰ নামৰ তালিকা প্ৰস্তুত কৰা।

উদাহৰণ— কাৰৈমাৰী (জিলা- বৰপেটা)

| মাছৰ নামেৰে ঠাইৰ নাম | জিলাৰ নাম | কি কাৰণে বিখ্যাত |
|---|---|---|
| | | |

পাঠৰ পৰা শ্ৰুতলিপি দিব।



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

# পাঠ ১০

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধু পঢ়ি বুজি পোৱা আৰু সজাই-পৰাই ক'ব পৰা
- সাধুটো নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ শিকি বাক্যত প্ৰয়োগ কৰিব পৰা
- যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা, যুক্তাক্ষৰ ভাঙিব পৰা
- 'অ' যোগ কৰি বিপৰীত অৰ্থ বুজোৱা শব্দ ক'ব আৰু লিখিব পৰা
- বিপদত কেনেদৰে সাৱধান হ'ব লাগে সেই বিষয়ে জনা
- সমস্যা সমাধান কৰিব পৰা
- ছবি চাই বৰ্ণনা কৰি ক'ব আৰু লিখিব পৰা
- 'মাছ' শব্দৰ আখৰ দুটাৰে বিভিন্ন শব্দ গঠন কৰিব পৰা
- মাছৰ নামেৰে ঠাইৰ নাম ক'ব পৰা, ঠাইখনৰ অৱস্থান উলিয়াব পৰা
- 'ৎ' থকা শব্দ লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| সাধু | সাধুটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | সাধুটো নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা | কোনো বিষয়বস্তুক লৈ কল্পনা কৰি লিখিব পৰা | | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | 'অ' ৰে আৰম্ভ হোৱা বিপৰীত শব্দ লিখিব পৰা | বাক্য গঠন কৰিব পৰা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | সমস্যাৰ সমাধান কৰিব পৰা | বিপদৰ সময়ত সাৱধান হোৱাৰ উপায় উলিয়াব পৰা | 'মাছ' শব্দটোৰ আখৰ দুটাৰে নতুন শব্দ গঠন কৰিব পৰা | মাছৰ বিষয়ে বৰ্ণনা কৰি ক'ব আৰু লিখিব পৰা | ছবি চাই বৰ্ণনা কৰিব পৰা | 'ৎ' থকা শব্দ লিখিব পৰা |
| | | | | | | |
| প্ৰকল্প | অসমত মাছৰ নামেৰে থকা বিভিন্ন ঠাইৰ নাম আৰু জিলাৰ নাম লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*